**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-11-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::::::**

HL (02-11-2025) 12-5

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সংকল্প দোহাৰি মহিলাৰ শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে।

২। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি সন্ধিয়া পাঁচ বাজি ২৬ মিনিটত দেশৰ সবাতোকৈ গধূৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ উৎক্ষেপণ কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰিব।

৪। পাকিস্তানে ৰূপায়ণ কৰা প্ৰত্যাবৰ্তন প্ৰক্ৰিয়াৰ অধীনত বৰ্তমানলৈ প্ৰায় ১৫ লাখ ৬০ হাজাৰ গৰাকী আফগান শৰণাৰ্থী স্বদেশলৈ উভতি গৈছে। ***আৰু***

৫। আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সংকল্পত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ বাবে পুৰুষ আৰু মহিলা উভয়ৰে সমানে দায়বদ্ধতা থকা বুলি উল্লেখ কৰি তেওঁ মহিলাৰ শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। হৰিদ্বাৰৰ পতঞ্জলি বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে সকলোকে মিলিজুলি আগবাঢ়িবলৈ আহ্বান জনায়। সামৰোহত ভাষণ দি মানৱ সংস্কৃতিৰ নিৰ্মাণৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰাচীন কালৰ পুৰোধা ব্যক্তিসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰাৰ লগতে তেওঁ মুনিসকলৰ শ্ৰেষ্ঠ মহৰ্ষি পতঞ্জলিৰ অৱদানৰ বিষয়েও ব্যাখ্যা কৰে।

**বাইট**

উল্লেখযোগ্য যে তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি উত্তৰাখণ্ডত উপস্থিত হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক ডেৰাডুনৰ জলিগ্ৰাণ্ড বিমানবন্দৰত ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল গুৰমিত সিং আৰু মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে আদৰণি জনায়।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ উত্তৰাখণ্ডৰ ৰাজ্য গঠনৰ ৰূপালী জয়ন্তী উপলক্ষে ডেৰাডুনত অৱস্থিত বিধানসভাৰ প্ৰেক্ষাগৃহত ভাষণ দিব। তেওঁ লগতে নাইনিটালত ৰাজভৱন স্থাপনৰ ১২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এটা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

পৰহিলৈ ৰাষ্ট্ৰপতি মুৰ্মুৱে কেইঞ্চিধামত নিম কৰোলি বাবা আশ্ৰম পৰিদৰ্শন কৰিব। পাছত তেওঁ নাইনিটালৰ কুমাও বিশ্ববিদ্যালয়ৰ কুৰি সংখ্যক সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি সন্ধিয়া পাঁচ বাজি ২৬ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা  দেশৰ সবাটোকৈ গধুৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ উৎক্ষেপণ কৰিব। CMS-03 একাধিক বেনযুক্ত সামৰিক যোগাযোগ উপগ্ৰহ। এই উপগ্ৰহটোৰ GSAT-7R নামেৰেও জনাজাত। এই উপগ্ৰহটো LVM3 নামৰ ৰকেটেৰে উৎক্ষেপণ কৰা হ'ব। ইছৰোৱে প্ৰকাশ কৰা মতে এই উপগ্ৰহটোৱে ভাৰতীয় ভূভাগসহ মহাসাগৰীয় অঞ্চলত সেৱা আগবঢ়াব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰিব। অনুষ্ঠানত, প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ গৱেষণা আৰু উন্নয়নৰ বাতাবৰণ অধিক বিকশিত কৰি তোলাৰ উদ্দেশ্যে ১ লাখ কোটি টকাৰ গৱেষণা, উন্নয়ন আৰু উদ্ভাৱন আঁচনি পুজিও মুকলি কৰিব। এই সন্মিলন অহা ৫ নৱেম্বৰত অন্ত পৰিব। ESTIC-2025 ৰ জৰিয়তে শৈক্ষিক, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু চৰকাৰৰ তৰফৰ পৰা ৩ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোচনা, প্ৰযুক্তি প্ৰদৰ্শন, প্ৰকল্প ব্যাখ্যা আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এনে পদক্ষেপৰ জৰিয়তে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বাতাবৰণ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে গৱেষক, উদ্যোগ খণ্ড তথা যুৱ উদ্ভাৱকসকলৰ মাজত পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ বাবে এখন মঞ্চ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈ পৰা দুদিনীয়া কাৰ্যসূচীৰে কেৰালা ভ্ৰমণ কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ প্ৰথম দিনা কোল্লামৰ ফাতিমা মাতা নেচনেল কলেজৰ হীৰক জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিব। উপৰাষ্ট্ৰপতিগৰাকীয়ে একেদিনাই কোল্লামত ভাৰতীয় নাৰিকলৰ আঁহ ৰপ্তানী সংস্থাৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা তেওঁ তিৰুৱনন্তপুৰমত শ্ৰী চিত্ৰা তিৰুনাল চিকিৎসা বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান ভ্ৰমণ কৰিব।

০০০০

প্ৰসাৰ ভাৰতীয়ে সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আজিৰে পৰা ২৯ নৱেম্বৰলৈ সমগ্ৰ দেশৰ ২৪ টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ  ৬৭ সংখ্যক সংস্কৰণৰ আয়োজন কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ১৯৫৪ চনত আৰম্ভ কৰা আকাশবাণীৰ সংগীত সন্মিলন দেশৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীক। এই সন্মিলনে দেশৰ চহকী সংগীত ঐতিহ্যৰ সংৰক্ষণ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কৈছে যে কোৱিড-১৯ মহামাৰীৰ বাবে কিছুসময়

বন্ধ ৰখাৰ পাছত এইবেলি নতুন ৰূপত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এইবাৰ প্ৰতিটো কেন্দ্ৰত দুটা অনুষ্ঠানৰ আয়োজন কৰা হব। ইয়াৰে এটা ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু আনটো লোকসংগীতৰ নামত উৎসৰ্গিত হ'ব। পানাজী আৰু শ্বিলঙত বিশেষভাৱে পাশ্চাত্য সংগীতৰ অনুষ্ঠানৰ দিহা কৰা হৈছে।

০০০০

পাকিস্তানে ৰূপায়ণ কৰা প্ৰত্যাবৰ্তন প্ৰক্ৰিয়াৰ অধীনত বৰ্তমানলৈ প্ৰায় ১৫ লাখ ৬০ হাজাৰ গৰাকী আফগান শৰনাৰ্থী স্বদেশলৈ উভতি গৈছে। তৰখাম আৰু চামান সীমান্ত পথেৰে সম্প্ৰতি প্ৰায় ১০ হাজাৰ ৭০০ গৰাকী আফগান নাগৰিকে স্বদেশলৈ প্ৰত্যাবৰ্তন কৰিছে। সীমান্তৱৰ্তী অঞ্চলত সংঘটিত সংঘৰ্ষৰ ফলত আফগানিস্তান আৰু পাকিস্তানৰ মাজৰ সীমান্ত পথ প্ৰায় দুসপ্তাহ ধৰি বন্ধ হৈ থকাৰ পাছত তৰখাম সীমান্ত কালি পুনৰ মুকলি কৰি দিয়া হয়। উভয় পক্ষৰ মাজত হোৱা আলোচনাৰ ফলত যোৱা ১৯ অক্টোবৰত  দোহাত যুদ্ধবিৰতিৰ সিদ্ধান্ত চূড়ান্ত কৰা হয়। অৱশ্যে উভয় দেশৰ মাজত বাণিজ্যিক লেনদেন বৰ্তমানেও ব্যাহত হৈ থকাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানৰ উত্তৰ-পশ্চিম অঞ্চলত সা-সামগ্ৰীৰ নাটনি আৰু মূল্যবৃদ্ধিয়ে দেখা দিছে। সীমান্ত পথ মুকলি কৰাৰ ব্যৱস্থা সম্প্ৰতি কেৱল শৰনাৰ্থীৰ আহ-যাহৰ ক্ষেত্ৰতহে কাৰ্যকৰী হৈছে বুলি উল্লেখ কৰি চৰকাৰী বিষয়াবৰ্গই জানিবলৈ দিয়া মতে নিৰাপত্তা ব্যৱস্থা উন্নত হ'লে উভয় দেশৰ মাজৰ ব্যৱসায় বাণিজ্য পুনৰ আৰম্ভ হ'ব। উল্লেখযোগ্য যে তুৰ্কী আৰু কাটাৰৰ মধ্যস্থতাৰ ফলত যুদ্ধবিৰতি কাৰ্যকৰী হোৱাৰ লগতে সীমান্ত অঞ্চলৰ সংঘৰ্ষও প্ৰতিহত কৰিব পৰা হৈছে।

০০০০

বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। এন ডি এ, আৰু মহাগঠবন্ধন উভয় পক্ষৰ তাৰকা প্ৰচাৰকসকলে সমগ্ৰ ৰাজ্যখনতে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থিসকলৰ  লগতে ভিন ভিন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে সমদল, জনসভা আদিৰ জৰিয়তে ভোটদাতা ৰাইজৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি  ভোজপুৰ আৰু নাৱাৰা জিলাৰ দুখন নিৰ্বাচনী সভাত ভাষণ দিয়াৰ লগতে পাটনাত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

ইয়াৰ পাছত শ্ৰী মোদীয়ে পাটনাত ৰাষ্ট্ৰকবি ৰামধাৰী সিং দিনকৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে পাটনা চহৰৰ তখ্‌ত শ্ৰী হৰিমন্দিৰ চাহিব গুৰুদ্বাৰালৈ যোৱাৰ কথা আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শ্বেওহৰ, চিতামাঢ়ি, আৰু মধুবাণীত ৩ খন নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী বেগুচৰাই আৰু খাগাৰীয়াত দুখন সভাত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইপিনে মহা মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী যাদৱে মুংগেৰ, পাটনা, বৈশালী আৰু চৰণকে ধৰি বিভিন্ন ঠাইত ১৭ খন নিৰ্বাচনী সভাত ভাষণ দিব।

০০০০

কানাডাই ট'ৰ'ণ্টত থকা ভাৰতীয় বাণিজ্যিক দূতাবাসৰ সন্মুখত প্ৰদৰ্শন কৰা প্ৰতিবাদী কাৰ্যসূচীক গৰিহণা দিছে। এই প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দ আৰু ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ আলোকচিত্ৰত দুজন ব্যক্তিয়ে গুলিবৰ্ষণ কৰি থকাৰ ফটো প্ৰদৰ্শন কৰে। বিষয়াসকলে ইয়াক গণতন্ত্ৰৰ প্ৰতি ভাবুকি হিচাপে আখ্যা দিছে।

খালিস্তান আন্দোলনৰ সৈতে জড়িত শিখ উগ্ৰপন্থী গোটে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। প্ৰতিবাদকাৰীসকলে খালিস্তানী পতাকা উৰুওৱাৰ লগতে শ্ৰীমতী ইন্দিৰা গান্ধীৰ হত্যাৰো প্ৰতিকী ছবি প্ৰদৰ্শন কৰে।

০০০০

নৱী মুম্বাইৰ ড° ডি ৱাই পাটিল স্পোৰ্টছ্ একাডেমীত আজি হ'বলগীয়া আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন  বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা ৩০ অক্টোবৰত নৱী মুম্বাইত অনুষ্ঠিত ৰোমাঞ্চকৰ দ্বিতীয়খন ছেমিফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত ইংলেণ্ডক ১২৫ ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। দুয়োটা দলে বৰ্তমানলৈ বিশ্বকাপৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হোৱা নাই। ভাৰত এইবাৰ তৃতীয়বাৰৰ বাবে বিশ্বকাপৰ ফাইনেলত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে এইখন হ'ব দক্ষিণ আফ্ৰিকাৰ প্ৰথম বিশ্বকাপ ফাইনেল।

০০০০

সমাপ্ত